# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। সংসদে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত অনুমোদন জনাইছে।

২। লোকসভাত কালি Immigration আৰু বিদেশী বিধেয়ক, ২০২৫ গৃহীত হয়।

৩। জম্মু-কাশ্মীৰৰ কঠুৱা জিলাত যোৱানিশা হোৱা এটা সংঘৰ্ষত ৩ জন সন্ত্ৰাসবাদী নিহত হয়।

৪। ভাৰতৰ ৰিতিকা হুদাই এছিয়ান চেম্পিয়নশ্বিপ মল্লযুদ্ধ প্ৰতিযোগিতাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। লক্ষ্নৌ ছুপাৰ জায়েণ্টছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে।

ooooo

সংসদে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত অনুমোদন জনাইছে। ৰাজ্যসভাই আলোচনাৰ অন্তত কালি বিত্ত বিধেয়ক ২০২৫ আৰু ৩ নম্বৰ বিনিয়োজন বিধেয়ক লোকসভালৈ ঘূৰাই পঠিওৱাৰ লগে লগে বাজেট প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। লোকসভাই মঙলবাৰে বিধেয়কখনত অনুমোদন জনাইছিল। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱসমূহত মঞ্জুৰি প্ৰদান কৰাই বিত্ত বিধেয়কৰ মূল উদ্দেশ্যে।

বিত্ত বিধেয়ক ২০২৫ আৰু ৩ নম্বৰ বিনিয়োজন বিধেয়ক সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি কয়, যে  কৰ নিশ্চয়তা, ব্যৱসায়িক সূচলতা আৰু কৰদাতাসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন বিত্ত বিধেয়কৰ মূল লক্ষ্য। আয়কৰৰ নতুন স্তৰসমূহে কৰ ব্যৱস্থা অধিক সৰল কৰি তুলিছে বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে।

*-বাইট-*

শ্ৰীমতী সীতাৰমনে কয়, যে বিত্ত বিধেয়কত একাংশ ঔদ্যোগিক সামগ্ৰীৰ ওপৰত আৰোপিত সীমা শুল্ক প্ৰত্যাহাৰৰ প্ৰস্তাৱ দিয়া হৈছে। তেওঁ কয়, যে ইয়াৰ ফলত ভাৰতীয় ৰপ্তানীকাৰীসকল অধিক প্ৰতিযোগিতামূলক হৈ উঠিব। তেওঁ লগতে কয়, যে ইখনৰ পাছত সিখন বাজেটত চৰকাৰে দেশক বেটাৰীৰ নিৰ্মাণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ আকাংক্ষা পূৰণৰ উদ্দেশ্যে শুল্ক হ্ৰাস কৰি আহিছে। উৎসতে কৰ্তন কৰা কৰ, টি ডি এছৰ হাৰ যুক্তিসংগত কৰি তোলাটো বিত্ত বিধেয়কৰ মূল আকৰ্ষণ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত টি ডি এছ সংগ্ৰহৰ আৱশ্যকতা সম্পূৰ্ণ ৰূপে নাইকীয়া কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এনে ধৰণৰ

পদক্ষেপে কৰ মূল্যায়নত সহায় কৰে। বিত্ত বিধেয়কত সমতা সন্দৰ্ভত পেঞ্চনধাৰকসকলে জনাই অহা দাবীৰ প্ৰতি সহমত প্ৰকাশ কৰা হৈছে বুলি শ্ৰীমতী সীতাৰমনে উল্লেখ কৰে। তেওঁ সকলো পেঞ্চনধাৰকৰ বাবে সম ব্যৱহাৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, যে বাজেটত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বেতন আৰু সা-সুবিধা সংশোধনৰ বাবে অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগ গঠনৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। শ্ৰীমতী সীতাৰমনে কয়, যে ইউ পি এৰ শাসন কালত ভাৰতবৰ্ষক বিশ্বৰ পাঁচটা দূৰ্বল অৰ্থব্যৱস্থাৰ অন্যতম বুলি গণ্য কৰা হৈছিল যদিও দেশ কেইবছৰ মানৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হ'ব। ইয়াৰ আগেয়ে আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ পি চিদাম্বৰমে কয়, যে দেশৰ খাদ্য সামগ্ৰীৰ মুদ্ৰাস্ফীতি, শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ব্যয় আৰু কৰ্ম সংস্থাপনহীনতাৰ হাৰ বৃদ্ধি পাইছে। তেওঁ কয়, যে দেশ বৰ্ধিত কৰ্মসংস্থাপনহীনতা, স্থিৰ পাৰিশ্ৰমিক, সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস, ভাৰতীয় টকাৰ মূল্যৰ অৱনমন, ঘৰুৱা ঋণ বৃদ্ধি আৰু ঘৰুৱা সঞ্চয় হ্ৰাসৰ দৰে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। চৰকাৰে শিক্ষা, স্বাস্থ্য আৰু অন্যান্য শিতানৰ ধন কৰ্তন কৰা বুলি কংগ্ৰেছ সাংসদগৰাকীয়ে দাবী কৰে।

বিজেপিৰ আৰ পি এন সিঙে আলোচনাত ভাগ লৈ কয়, যে দেশে যোৱা দশকত খেতিয়কৰ পৰা দুৰ্বল শ্ৰেণীলৈকে সকলো ক্ষেত্ৰতে প্ৰগতি লাভ কৰিছে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে মধ্যবিত্ত শ্ৰেণী আৰু খেতিয়কসকলক সবল কৰি তোলাৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ কয়, যে সামগ্ৰী আৰু সেৱাকৰ জি এছ টি ব্যৱস্থাৰ পৰা দেশ উপকৃত হৈছে।

তৃণমূল কংগ্ৰেছৰ সাগৰিকা ঘোষে বিভিন্ন সামগ্ৰীৰ ব্যক্তিগত ব্যৱহাৰ হোৱা নাই আৰু দুখীয়া লোকসকলৰ ক্ৰয় ক্ষমতা হ্ৰাস পাইছে বুলি দাবী কৰে। তেওঁ লগতে ব্যক্তিগত বিনিয়োগো হ্ৰাস পোৱা বুলি উল্লেখ কৰে।

আম আদমী পাৰ্টীৰ ৰাঘৱ চন্দ্ধাই আলোচনাত ভাগ লৈ কয়, যে জনসাধাৰণে উন্নত ৰাষ্ট্ৰৰ দৰে কৰ আদায় দিয়ে যদিও উপ ছাহাৰা অঞ্চলৰ ৰাষ্ট্ৰসমূহৰ দৰে সেৱাহে লাভ কৰে।

চি পি আই এমৰ ডঃ জন ব্ৰিটাছে দেশত সহযোগিতামূলক যুক্তৰাষ্ট্ৰৰ পৰিৱৰ্তে ক্ৰ'নী যুক্তৰাষ্ট্ৰবাদেহে ঠন ধৰিব উঠিব ধৰিছে বুলি দাবী কৰে। তেওঁ কয়, যে ভাৰতে বিকশিত ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে চৰকাৰে যুক্তৰাষ্ট্ৰবাদৰ আদৰ্শ মানি চলিব লাগিব।

ooooo

লোকসভাত কালি Immigration আৰু বিদেশী বিধেয়ক, ২০২৫ গৃহীত হয়। এই বিধেয়কখনৰ জৰিয়তে Immigration নীতিৰ আধুনিকীকৰণ কৰিব বিচৰা হৈছে আৰু বিধেয়কখনত পাৰপত্ৰ, ভ্ৰমণনথী, ভিছা আৰু পঞ্জীয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক কিছুমান বিশেষ ক্ষমতা প্ৰদানৰ ব্যৱস্থা আছে। বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে ৰাষ্ট্ৰীয় সুৰক্ষা সুদৃঢ় কৰা, ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ বাবে গোলকীয় মান সুনিশ্চিত কৰা আৰু গৱেষণা তথা উন্নয়নৰ বাবে ভেঁটি গঢ়ি তোলাৰ দিশৰ পৰা বিধেয়কখন গুৰুত্বপূৰ্ণ।

*-বাইট-*

ভাৰত এখন ভূ-ৰাজনৈতিক নহয়, ভূ-সাংস্কৃতিক দেশহে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰৱাসীসকলক আদৰণি জনোৱা আৰু তেওঁলোকক সুৰক্ষা প্ৰদান কৰাটো ভাৰতৰ পুৰণি ইতিহাস।

ooooo

জম্মু-কাশ্মীৰৰ কঠুৱা জিলাৰ ছুফেইন বনাঞ্চলত যোৱানিশা হোৱা এটা সংঘৰ্ষত ৩ জন সন্ত্ৰাসবাদী নিহত হয়। এই সংঘৰ্ষত সুৰক্ষা বাহিনীৰ ৩ জন জোৱানো শ্বহীদ হয় আৰু এগৰাকী উপ আৰক্ষী অধীক্ষক আৰু এগৰাকী পেৰা কামাণ্ডো সহ ৪গৰাকী সুৰক্ষা কৰ্মী আহত হয়। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড ° এছ জয়শংকৰে কালি দিল্লীত কেইজাই ডয়ুকাই শীৰ্ষক জাপানৰ কৰ্প'ৰেট জগতৰ এটা আগশাৰীৰ সংস্থাৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰে। সংস্থাটোৰ অধ্যক্ষ তাকেছি নিনামিৰ নেতৃত্বত অহা দলটোক সাক্ষাৎ কৰি সামাজিক মাধ্যমৰ এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে প্ৰতিনিধি দলটোৰ ভাৰত ভ্ৰমণৰ ইতিবাচক দিশসমূহৰ ওপৰত আলোকপাত কৰে। ড° জয়শংকৰে দলটোক ভাৰতৰ শাসন ব্যৱস্থা , আন্তঃগাঁথনি আৰু ব্যৱসায় সহজ কৰি তোলাৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু জাপানৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত কেইজাই ডয়ুকাই সংস্থা অনুঘটকৰূপে পৰিগণিত হ'ব বুলি আস্থা প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ ৰিতিকা হুদাই জৰ্দানৰ আম্মানত চলি থকা এছিয়ান চেম্পিয়নশ্বিপ মল্লযুদ্ধ প্ৰতিযোগিতাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত কালি ৰিতিকাই জাপানৰ নদোক য়ামামতোক পৰাস্ত কৰে। ফাইনেলত খেলুৱৈগৰাকী দুবাৰকৈ এছিয়ান চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰা কিৰ্গিস্তানৰ আইপেৰী মেডেট কিজিৰ মুখামুখি হ'ব।

০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ দলে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত ৫টা উইকেট হেৰুৱাই ১৯৩ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ হৈ নিকলাছ পূৰণে ২৬টা বলত ৭০ ৰান আৰু মিছেল মাৰ্চে ৩১টা বলত ৫২ ৰান কৰে। হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে দুটা উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে। হায়দৰাবাদৰ হৈ ট্ৰেভিছ হেডে ৪৭ আৰু অনিকেট বাৰ্মাই ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ চাৰিটা উইকেট দখল কৰা চাৰ্দুল ঠাকুৰক প্লেয়াৰ অৱ্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

নতুন দিল্লীৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত কালি চলিত বৰ্ষৰ খেলো ইণ্ডিয়া পেৰা গেমছ প্ৰতিযোগিতাৰ সামৰণি পৰে। সামৰণি অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাদছেই কয় যে খেলো ইণ্ডিয়া পেৰা গেমছ পেৰা এথলীটসকলৰ বাবে নিজৰ

দক্ষতা প্ৰদৰ্শন আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ উল্লেখযোগ্য মঞ্চ হিচাপে পৰিগণিত হৈছে। এইবেলি ক্ৰীড়া প্ৰতিযোগিতাখনত ১৮টা ৰাষ্ট্ৰীয় অভিলেখ ভংগ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ভাষণত মন্ত্ৰীগৰাকীয়ে প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনে প্ৰদৰ্শন কৰা শক্তিশালী ক্ৰীড়া মনোভাৱৰো প্ৰশংসা কৰে। সমগ্ৰ দেশতে ক্ৰীড়াৰ সম্প্ৰসাৰণ আৰু বিকাশৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে তেওঁ পুনৰবাৰ সদৰি কৰে। খেলো ইণ্ডিয়া পেৰা গেমছৰ দ্বিতীয় সংস্কৰণত এইবেলি পেৰা এথলীটসকলে ৫৫০ টাতকৈও অধিক পদক জয় কৰে। পদক তালিকাত হাৰিয়ানাই ৩৪টা সোণৰ, ৩৯টা ৰূপৰ আৰু ৩১টা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষস্থান দখল কৰে। তালিকাত তামিলনাডুৱে ২৮টা সোণৰ , ১৯টা ৰূপৰ, আৰু ২৭টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় স্থান দখল কৰাৰ বিপৰীতে উত্তৰ প্ৰদেশে ২৩টা সোণৰ, ২১টা ৰূপৰ আৰু ২০টা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থান দখল কৰে। আঠদিনীয়া প্ৰতিযোগিতাখনত ১৩০০ গৰাকীৰো অধিক পেৰা এথলীটে অংশগ্ৰহণ কৰে।

০০০০০

**সমাপ্ত**